**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-11-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যৰ পাঁচটা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। শাসকীয় বিজেপিকে ধৰি অন্যান্য দলসমূহে সমষ্টিয়ে সমষ্টিয়ে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ সভাৰ আয়োজন কৰিছে। মন্ত্ৰী পীযূষ হাজৰিকাই বিহালী সমষ্টিৰ কেইবাটাও অঞ্চলত বিজেপিৰ মনোনীত প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতা, সাংসদ ৰঞ্জীত দত্তকে ধৰি ভালকেইগৰাকী বিজেপি নেতাই এই প্ৰচাৰ সভাত উপস্থিত থাকে।

ইপিনে মন্ত্ৰী ৰণজিত কুমাৰ দাসে বঙাইগাঁও বিধানসভা সমষ্টিৰ দুলাইগাঁও গাঁও পঞ্চায়তত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ হৈ প্ৰচাৰ চলায়। তেওঁ অগপৰ বঙাইগাঁও জিলা কাৰ্যালয়ত এখন বৈঠকত অংশগ্ৰহণ কৰি অহা ৬ নৱেম্বৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সমষ্টিটোত সম্বোধন কৰিবলগীয়া জনসভাৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰে। একেদৰে চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ এন ডি এ-ৰ মনোনীত বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ মন্ত্ৰী কেশৱ মহন্ত আৰু অতুল বৰাই প্ৰচাৰ চলায়।

আনহাতে, সাংসদ ৰকিবুল হুছেইনে চামগুৰি বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী তানজিল হুছেইনৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই জনসভাত অংশ লয়। সাংসদ গৌৰৱ গগৈয়ে বিহালী সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাৰ হৈ কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ধলাই সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি পুৰকায়স্থৰ হৈ এ আই চি চিৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিং প্ৰচাৰ সভাত অংশ লয়। জিতেন্দ্ৰ সিঙৰ লগতে এ আই চি চিৰ সম্পাদক পৃথ্বীৰাজ সাথে, এ পি চি চিৰ সভাপতি ভূপেন বৰা, বিধায়ক নন্দিতা দাসৰ লগতে ভালেসংখ্যক দলীয় নেতা-কৰ্মীয়ে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। হাইলাকান্দিত ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত আমাৰ সংবাদদাতা নিলোৎপল দেৱে এইদৰে কয় -

**-ভইচ কাষ্ট-**

ইপিনে চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত ৮৫ বয়সৰ উৰ্ধৰ ভোটাৰ আৰু বিশেষভাৱে সক্ষম ভোটাৰসকলৰ বাবে জিলা নিৰ্বাচনী বিভাগে নিজ গৃহতে ভোটগ্ৰহণ সাব্যস্ত কৰাৰ প্ৰক্ৰিয়া আজি আৰম্ভ কৰিছে। সমষ্টিটোৰ এনে ভোটাৰসকলৰ ঘৰে ঘৰে গৈ নিৰ্বাচনী বিষয়াসকলে প'ষ্টেল বেলেটৰ যোগেদি ৪ৰ পৰা ৬ নৱেম্বৰৰ ভিতৰত ভোট সংগ্ৰহ কৰিব।

০০০০০০০

সমাগত ষট পূজা শান্তিপূৰ্ণভাৱে উদযাপন কৰাৰ লক্ষ্যৰে গুৱাহাটী আৰক্ষী আয়ুক্তৰ উদ্যোগত আজি জিলা পুথিভঁৰালত এখন বিশেষ সভা অনুষ্ঠিত হয়। সভাত আৰক্ষী আয়ুক্ত দিগন্ত বৰাই পূজাৰ সময়ত পালন কৰিবলগীয়া নীতি-নিৰ্দেশনা সন্দৰ্ভত অৱগত কৰে। পূজাৰ সময়ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা লাচিত ঘাটলৈ বাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। টিআৰপি ৰোডত বাণিজ্যিক বাহন পাৰ্কিঙতো নিষেধাজ্ঞা জাৰি কৰা হৈছে। নিশা ৮ বজাৰ পৰা ১০ বজালৈহে ফটকা ফুটুৱাত অনুমতি প্ৰদান কৰা হৈছে। চুণচালি ঘাটতো বিশেষ সুৰক্ষামূলক ব্যৱস্থা

গ্ৰহণ কৰা হ'ব। নৈৰ ঘাটত পূজাৰ সময়ত অঘটন নহ'বলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী আয়ুক্তগৰাকীয়ে নিৰ্দেশ জাৰি কৰিছে। আৰক্ষীৰ উপৰি পূজা সমিতিয়ে নিজাববীয়াকৈ স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব বুলি কোৱা হৈছে। আনহাতে ভিৰ নিয়ন্ত্ৰণ কৰিবলৈ পৃথক পৃথক প্ৰৱেশ আৰু প্ৰস্থানৰ ব্যৱস্থা থাকিব লাগিব। পুৱা আৰু সন্ধিয়াৰ সময়ত ৰাইজৰ আহ-যাহ কৰাত যাতে কোনো সমস্যাৰ সৃষ্টি নহয় তাৰ বাবে সমিতিসমূহক স্থানীয় আৰক্ষীৰ সহায় ল'বলৈ আহ্বান জনোৱা হৈছে। সাংস্কৃতিক অনুষ্ঠান বা সমদলৰ নামত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নকৰিবলৈ আৰক্ষী আয়ুক্তগৰাকীয়ে আহ্বান জনাইছে।

oooooooo

সমাগত ষট পূজা শান্তিপূৰ্ণভাৱে আৰু নিৰাপদে উদযাপনৰ প্ৰস্তুতি পৰ্যালোচনা কৰিবলৈ আজি ডিফু আৱৰ্ত ভৱনত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলাখনৰ আয়ুক্তৰ লগতে ডিফু, মাঞ্জা, বকলীয়াঘাট আৰু হাওৰাঘাটৰ ষট পূজা সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। আয়ুক্তগৰাকীয়ে পূজা উদযাপন কৰিবলগীয়া স্থানসমূহ মেৰামতি কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। তদুপৰি পূজাথলীসমূহত চি চি টি ভি সংস্থাপনৰ লগতে অন্যান্য সতৰ্কতামূলক ব্যৱস্থাসমূহ গ্ৰহণ কৰিবলৈ কোৱা হৈছে।

ooooooo

মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাক চহৰখনৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ে 'সমাজ বন্ধু' উপাধিৰে বিভূষিত কৰিছে। ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়াগৰাকীয়ে সমাজৰ বিভিন্ন স্তৰৰ লোকৰ লগতে কৰ্কট ৰোগীসকলৰ প্ৰতি আগবঢ়োৱা নিস্বাৰ্থ সেৱাৰ স্বীকৃতি স্বৰূপে তেওঁক এই উপাধি প্ৰদান কৰা হয়। আজি বিদ্যালয়খনত আয়োজিত অনুষ্ঠানত আয়ুক্তগৰাকীক মানপত্ৰ, স্মাৰক, শৰাই, অংগবস্ত্ৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়।

ooooooo

লোককৃষ্টিৰ বিশিষ্ট গৱেষক, শিক্ষাবিদ, সংগীত শিল্পী বীৰেন্দ্ৰ নাথ দত্তৰ আজি জন্ম বাৰ্ষিকী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত তেওঁৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হয়। এই উপলক্ষে বিভিন্ন অঞ্চলত তেওঁৰ স্মৃতিত বক্তৃতানুষ্ঠান, সংগীতানুষ্ঠান আদিৰ আয়োজন কৰা হয়। ৰাজ্যৰ কেইবাখনো মহাবিদ্যালয়ত অধ্যাপনা কৰাৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি গৱেষণা বিভাগত অধ্যাপনা কৰা প্ৰয়াত দত্তই বিশ্ববিদ্যালয়খনৰ কলাগুৰু আসনত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পাছত তেওঁ তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ আমন্ত্ৰণমৰ্মে এই বিশ্ববিদ্যালয়খনৰ পৰম্পৰাগত সংস্কৃতি আৰু কলাৰীতি বিভাগৰ দায়িত্ব গ্ৰহণ কৰে। সাহিত্য ক্ষেত্ৰলৈও বিশেষ অৱদান আগবঢ়োৱা দত্তৰ অসমীয়া সংগীতৰ ঐতিহ্য নামৰ গ্ৰন্থখন অসম সাহিত্য সভাই ১৯৭৭ চনত প্ৰকাশ কৰে। সংস্কৃতি আৰু পৰিৱেশ্য কলা সন্দৰ্ভত কেইবাখনো গ্ৰন্থ অনুবাদ কৰা এই লেখকগৰাকীয়ে গোৱালপৰীয়া লোকগীতৰ সংগ্ৰহকে ধৰি কমেও ২৩ খন গ্ৰন্থ অসমীয়া আৰু ইংৰাজী ভাষাত ৰচনা আৰু সম্পাদনা কৰিছে। তেওঁ প্ৰণয়ন কৰা Cultural Contours of North-East India নামৰ গ্ৰন্থখন অক্সফোৰ্ড ইউনিভাৰ্ছিটী প্ৰেছে প্ৰকাশ কৰিছিল। সংগীতৰ ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতাৰে অগণন শ্ৰোতাক গীতেৰে মুগ্ধ কৰা শিল্পীগৰাকীয়ে সংগীত নেতা একাডেমীৰ ঠাকুৰ ৰত্ন সন্মান লাভ কৰিছিল। আকাশবাণীত বাণীবদ্ধ আৰু প্ৰচাৰিত তেওঁৰ ভালেসংখ্যক গীতে আজিও শ্ৰোতাৰ হৃদয় জুৰি আছে।

ooooooo

**সমাপ্ত**